# অষ্টম শ্ৰেণী | বিজ্ঞান

Under CSR Support by Ipca | Foundation missiongyan LET'S LEARN TOGETHER

## অধ্যায় - ৩ | সাংশ্লেষিক আঁহ আৰু প্লাষ্টিক

**QUIZ-01**

**1. সাংশ্লেষিক আঁহ কিহৰ পৰা প্ৰস্তুত কৰা হয়?**
A. উদ্ভিদৰ পৰা
B. প্ৰাণীৰ পৰা
C. ৰাসায়নিক পদাৰ্থৰ পৰা
D. মাটিৰ পৰা
**Answer:** C
**Explanation:** সাংশ্লেষিক আঁহ পৰীক্ষাগাৰত ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰি প্ৰস্তুত কৰা হয়।

**2. ৰেয়নক আন কি নামেৰে জনা যায়?**
A. কৃত্ৰিম পাট
B. কৃত্ৰিম কপাহ
C. কৃত্ৰিম ঊণ
D. কৃত্ৰিম চিল্ক
**Answer:** A
**Explanation:** ৰেয়নক কৃত্ৰিম পাট বুলি জনা যায় আৰু ই পাটৰ সস্তা বিকল্প।

**3. নাইলন কোন বছৰত আবিষ্কাৰ কৰা হৈছিল?**
A. 1925
B. 1931
C. 1940
D. 1952
**Answer:** B
**Explanation:** নাইলন 1931 চনত সম্পূৰ্ণ কৃত্ৰিমভাৱে প্ৰস্তুত কৰা প্ৰথম আঁহ।

**4. পলিষ্টাৰ (Polyester) নামটো কোন শব্দৰ পৰা আহিছে ?**
A. পলিছাৰ্বনেট
B. পলিএষ্টাৰ
C. পলিথিন
D. পলিঅমাৰ
**Answer:** B
**Explanation:** এষ্টাৰ নামৰ ৰাসায়নিক পদাৰ্থৰ পুনৰাবৃত্তিৰে গঠিত হৈ এই আঁহক পলিষ্টাৰ বুলি কোৱা হয়।

**5. এক্ৰাইলিক আঁহৰ গুণ কোনটোৰ দৰে ?**
A. কপাহ
B. ঊণ
C. ৰেয়ন
D. পলিষ্টাৰ
**Answer:** B
**Explanation:** এক্ৰাইলিক আঁহৰ গুণ ঊণৰ দৰে হয়, সেয়ে ই ঊণৰ সস্তা বিকল্প।

**6. সাংশ্লেষিক আঁহৰ এটা সাধাৰণ বৈশিষ্ট্য কোনটো ?**
A. সহজে কুঁচি যায়
B. পানীত সহজে ভিজে
C. কম দামী আৰু সহনশীল
D. সদায় প্ৰাকৃতিকভাৱে পোৱা যায়
**Answer:** C
**Explanation:** সাংশ্লেষিক আঁহ কম দামী, সহনশীল আৰু সহজে শুকায়।

**7. প্লাষ্টিকক দুটা প্ৰধান ভাগত বিভক্ত কৰা যায়। সেয়া কোনবোৰ?**
A. কোমল আৰু কঠিন প্লাষ্টিক
B. তাপনমনীয় আৰু থাৰ্মছেটিং প্লাষ্টিক
C. প্ৰাকৃতিক আৰু কৃত্ৰিম প্লাষ্টিক
D. পলিথিন আৰু পলিপ্ৰ'পাইলিন
**Answer:** B
**Explanation:** প্লাষ্টিক তাপনমনীয় (Thermoplastic) আৰু থাৰ্মছেটিং (Thermosetting) দুটা ভাগত বিভক্ত।

**8. থাৰ্মছেটিং প্লাষ্টিকৰ উদাহৰণ কোনটো?**
A. পলিথিন
B. PVC
C. বেকলাইট
D. নাইলন
**Answer:** C
**Explanation:** বেকলাইট আৰু মেলামাইন থাৰ্মছেটিং প্লাষ্টিকৰ উদাহৰণ।

**9. প্লাষ্টিক কিয় পৰিৱেশৰ বাবে ক্ষতিকাৰক ?**
A. সহজে গলিবলৈ লয়
B. অধিক দামী
C. জৈৱ-অপচনশীল (Non-biodegradable)
D. পানীত ভিজি যায়
**Answer:** C
**Explanation:** প্লাষ্টিক জৈৱ-অপচনশীল হোৱাৰ বাবে পৰিৱেশত দীঘলীয়া সময় ধৰি থাকে আৰু দূষণ সৃষ্টি কৰে।

**10. পৰিৱেশৰ সুৰক্ষাৰ বাবে প্লাষ্টিক ব্যৱহাৰত কিমানটো "R" নীতি পালন কৰা উচিত?**
A. ২
B. ৩
C. ৪
D. ৫
**Answer:** C
**Explanation:** প্লাষ্টিক ব্যৱহাৰত Reduce, Reuse, Recycle, Recover এই ৪টা নীতি পালন কৰা উচিত।

মিছন জ্ঞান
100% FREE!
Video COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App